**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-APR-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। নাৰী শক্তি বন্দন অধিনিয়মৰ সাংবিধানিক সংশোধনীত গুৰুত্বৰে আজিৰে পৰা সংসদৰ বিশেষ অধিৱেশন।

২। সাদিনীয়া ব'হাগ বিহুৰ আজি গোসাঁই বিহু। ছগ্ৰা মিছাৰা আৰু ইবাকু বিছুৰ দৰে বিভিন্ন বসন্তকালীন উৎসৱৰো আয়োজন।

৩। বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ পাছত ষ্ট্ৰংৰূমত ৰখা ইভিএমসমূহৰ সুৰক্ষা ব্যৱস্থাত জিলা প্ৰশাসনৰ চোকা দৃষ্টি।

৪। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰতৰ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ ৫ উইকেটত জয়লাভ।

০০০০০০

আজিৰে পৰা তিনিদিনীয়াকৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। বাজেট অধিৱেশনৰ সময়সীমা বৃদ্ধি কৰি এই তিনিদিনীয়া বিশেষ সত্ৰৰ আয়োজন কৰা হৈছে। পৰহিলৈ সামৰণি পৰিবলগীয়া এই অধিৱেশনৰ সময়ছোৱাত নাৰী শক্তি বন্দন অধিনিয়মৰ সাংবিধানিক সংশোধনী সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। ২০২৩ চনত গৃহীত এই বিধেয়কখনে লোকসভা আৰু ৰাজ্য বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণৰ প্ৰস্তাৱ দিছে। এই অধিৱেশনত উত্থাপন কৰিবলগীয়া সংশোধনী বিধেয়ক কেইখন হৈছে— সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬। সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়কখন গৃহীত হ'লে লোকসভাত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ পৰা আসনৰ সংখ্যা বৃদ্ধি পাব। সংসদৰ এই বিশেষ সত্ৰত ২০২৯ চনৰ সংসদীয় নিৰ্বাচনৰ পূৰ্বে আৰু লোকসভাত সদস্য সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মহিলাৰ বাবে আসন সংৰক্ষণ আইন বলবৎ হোৱাটো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুদিন পূৰ্বে সদনৰ নেতাসকলক এই সংশোধনী বিধেয়ককেইখন গৃহীত কৰাৰ বাবে এই বিশেষ সত্ৰত উপস্থিত থাকিবলৈ আহ্বান জনাইছিল। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়কে প্ৰতিখন ৰাজ্য, সম্প্ৰদায় আৰু অঞ্চলৰ অভিলাষ পূৰণ কৰিব বুলি নিশ্চিত কৰিছে। বিজেপিৰ লগতে জে ডি ইউ, এল জে পি আৰ  আৰু কংগ্ৰেছে তেওঁলোকৰ সাংসদসকলক এই অধিৱেশনৰ সময়ত দুয়োখন সদনতে উপস্থিত থাকিবলৈ থ্ৰী লাইন উইপ জাৰি কৰিছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয়, যে দলটোৱে মহিলাৰ আসন সংৰক্ষণ বিধেয়কৰ সমৰ্থন জনাইছে যদিও এই বিধেয়কখন কেনেদৰে উত্থাপন কৰা হ'ব এই সন্দৰ্ভত সন্দেহ আছে বুলি ব্যক্ত কৰিছে। বিধেয়কখন ৰাজনৈতিকভাৱে উদ্দেশ্য প্ৰণোদিত হ'ব পাৰে বুলি তেওঁ মন্তব্য কৰিছে।

০০০০০০

সাদিনীয়া ব'হাগ বিহুৰ তৃতীয় দিনটো আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত গোসাঁই বিহু হিচাপে পালন কৰা হৈছে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণৰ সমাগম হৈছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছে। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ লৈছে। গোসাঁই বিহু পালন সন্দৰ্ভত এয়া আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়া ঃ

*-ভইচ কাষ্ট-*

ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ-উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেঁপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বশিষ্ঠ চাৰিআলিকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ ব'ৰ্ডিং খেলপথাৰত আজি ত্ৰয়োদশ বাৰ্ষিক মুকলি বিহুৰ আয়োজন কৰা হৈছে। বিহুৰ পুৰণি পৰম্পৰা শ্ৰদ্ধা জনোৱাৰ লগতে নতুন প্ৰজন্মক এই পৰম্পৰাসমূহৰ সৈতে চিনাকী কৰাই দিয়াৰ বাবে এই বিহুৰ আয়োজন কৰা হৈছে। আজি দিনৰ ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ পাছত জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শনৰ লগতে কেইবাটাও হুচৰি দল আৰু গাভৰু বিহু দলে নাচ পৰিৱেশন কৰিব। বিশিষ্ট শিক্ষাবিদ, লোকসংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়াই সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব। এই অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। সন্ধিয়া স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব।

ডিব্ৰুগড় জিলাৰ চৌকিডিঙি খেলপথাৰত কালি দিনজোৰা কাৰ্যসূচীৰে ব'হাগ আদৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জনতাৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে থলুৱা খেল ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে কমেও ২০ গৰাকী জ্যেষ্ঠ ব্যক্তিক সন্মান জনোৱা হয়। তদুপৰি ডিব্ৰুগড় সাহিত্য সভাই নিজৰ দিন উপলক্ষে কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, অসম সাহিত্য সভাই কালি পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে পালন কৰি ৰাজ্যৰ বিভিন্ন স্থানত বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে।

বাক্সা জিলাৰ জালাহ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। কালি পহিলা ব'হাগৰ সন্ধিয়া অনুষ্ঠিত মুকলি বিহুত বহু লোকৰ সমাগম হয়। জিলাখনৰ ঘোঁৰামৰাত বিহু উদযাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত চতুৰ্দশ ৰঙালী বিহু উদযাপনৰ কালি নিশা সামৰণি পৰে। গোৱালপাৰা জিলাৰ ৰাভা জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহতো উলহ-মালহেৰে ৰঙালী বিহু পালন কৰা হৈছে। আগিয়াৰ ৰামপুৰৰ পহিলা ব'হাগ উদযাপন সমিতিয়ে দুদিনীয়াকৈ কাৰ্যসূচীৰে বিহু পালন কৰিছে। ৰামপুৰৰ বিহুৰ মুখ্য আকৰ্ষণ হ'ল লেৰাটনা প্ৰতিযোগিতা। পাহাৰীয়া ঠাইৰ এইবিধ বিশেষ গছৰ লতাৰে এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। অঞ্চলটোৰ ১০-১৫ খন গাঁৱৰ পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা প্ৰতিযোগিতা চাবলৈ সহস্ৰাধিক লোকৰ সমাগম হয়।

ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক কালি সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ ঊৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হয়।

গুদালগুৰি জিলা সাহিত্য সভাৰ লগতে টংলা সাহিত্য সভাই কালি বৃহত্তৰ টংলা অঞ্চলৰ চন্দ্ৰপ্ৰভা দত্ত, নিভাৰাণী চক্ৰৱৰ্তী, অনন্ত দেৱ শৰ্মা, যতীন্দ্ৰ বৰ্মন আৰু ৰত্নেশ্বৰ বসুমতাৰী তেওঁলোকৰ বাসগৃহত বিহুৱান আৰু ওলগণি পত্ৰৰে ওলগ জনায়। বাক্সা জিলাতো কালি পহিলা ব'হাগ উপলক্ষে অসম সাহিত্য সভাৰ নিজৰ দিন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০

তিৱা জনগোষ্ঠীৰ বসন্তকালীন উৎসৱ ছগ্ৰা মিছাৱা আৰু দেউৰীসকলৰ ইবাকু বিছু কালিৰে পৰা পালন কৰা হৈছে। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পাছৰটোৰ বুধবাৰৰ পৰা জনগোষ্ঠী দুটাই পৰম্পৰাগতভাৱে এই বসন্তকালীন উৎসৱ পালন কৰে।

ছগ্ৰা মিছাৱা তিৱাসকলৰ কৃষিভিত্তিক উৎসৱ। ইয়াত ছগ্ৰা মানে সকলো মিছাৱা হৈছে সামূহিক নৃত্য। কৃষিকাৰ্য আৰম্ভণি কৰাৰ আগেয়ে জনগোষ্ঠীটোৱে আই বসুমতিৰ আশীৰ্বাদ কামনা কৰি এই উৎসৱ পালন কৰে। জনগোষ্ঠীটোৰ বিভিন্ন গাঁৱত ইয়াৰ পালন ৰীতিৰ কিঞ্চিৎ ভিন্নতা দেখা যায়।

ইফালে দেউৰীসকলৰ বসন্তকালীন উৎসৱ ইবাকু বিছুও কালিৰে পৰা ৭ দিনীয়াকৈ পালন কৰা হৈছে। ......**(মিউজিক)**....

দেওঘৰত কালি এই উপলক্ষে বিশেষ উপাসনা কৰা হয়। উপাস্য দেৱতা কুণ্ডিমামা, পিচাদেমা, পিচাচি দেমাচিকে ধৰি বিভিন্ন উপাস্য দেৱ-দেৱীসকললৈ উছৰ্গা আগবঢ়াই ডেকা-গাভৰুসকলে সামাজিক স্থানত লোক নৃত্য-গীতৰ পৰিৱেশন কৰে। সাতদিনীয়া বিছু পালনৰ পাছত শেষৰ দিনটোত বিছু উৰুৱাবা পালন কৰি এই উৎসৱৰ সামৰণি মৰা হ'ব।

বড়ো জনগোষ্ঠীৰ লোকসকলে চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা পালন কৰা বৈশাগু উপলক্ষে কালি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গায়।

তামুলপুৰ জিলা সদৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত কালি উলহ-মালহেৰে ৰংজালি বৈশাগু উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ চহকী পৰম্পৰা অনুসৰি এই পবিত্ৰ দিনটোত কনিষ্ঠজনে জ্যেষ্ঠজনৰ পৰা আশিস গ্ৰহণ কৰাৰ লগতে পৰস্পৰৰ মাজত সমন্বয়ৰ বাৰ্তা বিলোৱাৰ প্ৰচেষ্টা হাতত লোৱা হয়।

কোকৰাঝাৰ জিলাৰ বাগানশালীৰ বাথৌথানশালীতো কালি ৰংজালি বৈশাগু উপলক্ষে বাথৌ আৰোজ অনুষ্ঠিত কৰা হয়। ভক্তসকলে বড়ো সম্প্ৰদায়ৰ আৰাধ্য দেৱতা বাথৌ বাউৰেৰ বেদীত প্ৰাৰ্থনা কৰি বিশ্বশান্তি, সমৃদ্ধি আৰু সমাগত বছৰটোৰ বাবে আশীৰ্বাদ বিচাৰে।

বাক্সা জিলাতো সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে।

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱ পালনৰ বাবে সাজু হৈছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে।

আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পৰা উদযাপন কৰিছে। এই উপলক্ষে কোকৰাঝাৰ, গোৱালপাৰা, ধুবুৰী আৰু দাঁতিকাষৰীয়া ৰাজ্য পশ্চিমবংগৰ কোচবিহাৰ অঞ্চলতো জনগোষ্ঠীটোৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে।

০০০০০০

বাক্সা জিলাৰ বিভিন্ন স্থানত কালিৰে পৰা বাঁহ গোসাই অৰ্থাৎ দহৰফুৰোৱা উৎসৱ আৰম্ভ হৈছে। জিলাখনৰ মা গোসানী, মা কামাখ্যা, কলিয়া ঠাকুৰ, ভাংৰা গোসাই, বুঢ়া গোসাই, গৰখীয়া আদি স্থানত এই উৎসৱ উদযাপন কৰা হৈছে। এই উৎসৱ সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ ঃ

***-ভইচ কাষ্ট-***

ইপিনে নলবাৰী জিলাৰ বিভিন্ন স্থানত কালিৰে পৰা ভঠেলী উৎসৱ অনুষ্ঠিত হৈছে। ব'হাগ মাহটো জুৰি জিলাখনৰ বিভিন্ন ঠাইত এই উৎসৱ পালন কৰা হ'ব। জিলাখনৰ উলাবড়ীৰ খাটালপাৰাত কালি ৫০ বছৰ অতিক্ৰম কৰা ভঠেলী উৎসৱৰ পৰম্পৰা পালন কৰা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি ওজাপালি প্ৰদৰ্শনকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

০০০০০০

৯ এপ্ৰিলত একেটা পৰ্যায়ত অনুষ্ঠিত ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ পাছত ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ষ্ট্ৰং ৰূমসমূহত ৰখা হৈছে। জিলা প্ৰশাসনসমূহে ষ্ট্ৰং ৰূমৰ সুৰক্ষা ব্যৱস্থাত চোকা দৃষ্টি ৰাখিছে। ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে বকুলস্থিত পলিটেকনিকত থকা ষ্ট্ৰং ৰূম কালি পৰিদৰ্শন কৰে। জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ নিৰ্বাচনী ষ্ট্ৰং ৰূম বকুলৰ পলিটেকনিকত স্থাপন কৰা হৈছে। পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে নিৰাপত্তা ব্যৱস্থাৰ লগতে কাৰিকৰী ব্যৱস্থাৰো বুজ লয়।

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে কালি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয়ৰ ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে ষ্ট্ৰং ৰূমৰ নিৰাপত্তা ব্যৱস্থাৰ লগতে কাৰিকৰী দিশসমূহ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ কৰে। পৰিদৰ্শনকালত ষ্ট্ৰং ৰূমৰ নিৰাপত্তাৰ দায়িত্বত থকা বিষয়ববীয়াসকলৰ লগত জিলা আয়ুক্তগৰাকীয়ে মত বিনিময় কৰে।

০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন নিৰ্বাচনী চমকৰ সৃষ্টি কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি পশ্চিম বংগৰ মালদহৰ পৰা ভাৰ্চুৱেলি দাৰ্জিলিঙৰ লাবং খেলপথাৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাত অংশ লয়। শ্ৰীশ্বাহে এই সভাত পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক তীব্ৰ ভাষাৰে সমালোচনা কৰে। এই প্ৰচাৰ সভাত শ্ৰীশ্বাহক বিজেপি জ্যেষ্ঠ নেতা নিৰ্মলা সীতাৰমন, স্মৃতি ইৰাণী আৰু অনুৰাগ ঠাকুৰে সংগ দিয়ে। ইয়াৰ পাছত শ্ৰীশ্বাহে আলিপুৰদুৱাৰৰ ফালাকাটা মিল ৰোডত আন এখন নিৰ্বাচনী সভাত ভাগ লয়। ইপিনে তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়েও কালি দলৰ হৈ বিভিন্ন স্থানত প্ৰচাৰ চলায়। কালি বাংলা নৱবৰ্ষৰ প্ৰথন দিনটোত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে জনজাতীয় লোক নৃত্যত অংশগ্ৰহণ কৰি পয়লা বৈশাখ পালন কৰাৰ লগতে তৃণমূল দলে ৰাজ্যখনৰ লোক সংস্কৃতিক সদায়ে অগ্ৰাধিকাৰ দি আহিছে বুলি দাবী কৰে।

০০০০০০

আছাম ৰাইফলছৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল বিকাশ লখেড়াৰ চাৰিদিনীয়া মণিপুৰ ভ্ৰমণৰ কালি সামৰণি পৰে। এই ভ্ৰমণকালত শীৰ্ষ সেনা বিষয়াজনে ৰাজ্যখনৰ কেইবাখনো জিলা পৰিদৰ্শন কৰে। কেইথেলমান্বী, পল্লেল, কাকচিং আৰু চূড়াচান্দপুৰ ভ্ৰমণ কৰি তেওঁ আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সীমা সন্দৰ্ভত সংগঠনটোৰ কাৰ্যকৰী প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। ইয়াৰ লগতে লেফটেনেণ্ট জেনেৰেল লখেড়াই অঞ্চলটোৰ সাধাৰণ ৰাইজৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰি তোলাৰ বিষয়েও আলোচনা কৰে। আছাম ৰাইফলছৰ দক্ষিণ শাখাৰ ইন্সপেক্টৰ জেনেৰেলে এই ভ্ৰমণত সঞ্চালক প্ৰধানজনক সংগ দিয়ে।

০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত যোৱা নিশা বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাজিত কৰে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মিচেল মাৰ্শ্বে সৰ্বাধিক ৪০ ৰান কৰে। বাংগালুৰুৰ ৰশ্বিক ছালাম ডৰে ৪টা আৰু ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৫ অভাৰ আৰু এটা বলতেই ৫ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। অপেনাৰ বিৰাট কোহলিয়ে ৪৯ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ প্ৰিন্স যাদৱে ৩টা আৰু আৱেশ খানে ২টা উইকেট লাভ কৰে। বাংগালুৰুৰ জছ হেজেলউদক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ পঞ্জাব কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**